1 (Sem-6/FYUGP) ASS 62 MN/(A)

# 2026

## ASSAMESE

( Minor )

Paper : ASS0600604

**( অসমৰ আৰ্যভিন্ন ভাষা )**

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) এটা আৰ্যভিন্ন ভাষা-পৰিয়ালৰ নাম উল্লেখ কৰা।

(খ) অষ্ট্ৰিক গোষ্ঠীৰ ভাষা কোৱা লোক বসবাস কৰা ভাৰতৰ যি কোনো এখন ৰাজ্যৰ নাম লিখা।

(গ) *Linguistic Survey of India* গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) বৰো ভাষাৰ প্ৰথমখন বাতৰি-কাকতৰ নাম কি?

(ঙ) মিচিং ভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(চ) কাৰ্বি ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা কেইটা ?

(ছ) বৰো ভাষাত বচন কেইবিধ ?

(জ) 'অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষা' গ্ৰন্থখনৰ ৰচক কোন ?

২। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) ভাৰতত প্ৰচলিত যি কোনো দুটা প্ৰধান ভাষাগোষ্ঠীৰ নাম লিখা।

(খ) তিব্বত-বৰ্মী শাখাৰ প্ৰধান উপশাখা দুটা উল্লেখ কৰা।

(গ) ৰাভা ভাষাৰ প্ৰথমখন সৰ্বজনবিদিত আলোচনীৰ নাম কি ? আলোচনীখনৰ সম্পাদক কোন ?

(ঘ) গাৰো ভাষাত সন্ধি কেইটা আৰু কি কি ?

(ঙ) কাৰ্বিসকলে বসবাস কৰা অসমৰ দুখন জিলাৰ নাম লিখা।

(চ) 'পাপ' আৰু 'পূজা' শব্দ দুটাৰ বৰো ৰূপ লিখা।

(ছ) অসমীয়া ভাষাত ব্যৱহৃত দুটা আহোম শব্দ লিখা।

(জ) শ্যাম-চীনীয় শাখাৰ প্ৰধান ভাগ দুটা কি কি ?

(ঝ) অস্ট্ৰিক ভাষাগোষ্ঠীৰ প্ৰধান শাখা দুটা কি কি ?

(ঞ) ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই কোনখন গ্ৰন্থৰ বাবে, কিমান চনত পি.এইচ.ডি. ডিগ্ৰী লাভ কৰিছিল ?





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) তিব্বত-বৰ্মী শাখাৰ প্ৰধান উপশাখা সম্পৰ্কে লিখা।

(খ) বৰোসকলে ব্যৱহাৰ কৰা লিপি সম্পৰ্কে লিখা।

(গ) বৰো ভাষাত গৱেষণাৰ উত্তৰণ সম্পৰ্কে লিখা।

(ঘ) গণমাধ্যমত মিচিং ভাষাৰ ব্যৱহাৰ সম্পৰ্কে লিখা।

(ঙ) আৰ্যভিন্ন ভাষাৰ দ্বিস্বৰ আৰু ত্ৰিস্বৰধ্বনি সম্পৰ্কে লিখা।

(চ) আৰ্যভিন্ন ভাষাৰ ব্যঞ্জনধ্বনি সম্পৰ্কে লিখা।

(ছ) বৰো ভাষাৰ চমু পৰিচয় দিয়া।

(জ) তিব্বত-বৰ্মীয় ভাষাত অসমীয়া ভাষাৰ ধ্বনিগত প্ৰভাৱ সম্পৰ্কে লিখা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) আৰ্যভিন্ন ভাষা বুলিলে কি বুজা ? অসমত প্ৰচলিত আৰ্যভিন্ন ভাষাসমূহৰ সম্যক পৰিচয় দাঙি ধৰা।

(খ) চীন-তিব্বতীয় ভাষাসমূহৰ আদিম বাসস্থান আৰু অসমত এই ভাষা-পৰিয়ালৰ ভাষাসমূহৰ অৱস্থান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(গ) মিচিং আৰু গাৰো ভাষাৰ উত্তৱণ তথা স্থিতি সম্পৰ্কে বিতংকৈ লিখা।

(ঘ) ৰাভা ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু বাক্যতাত্ত্বিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰা।

(ঙ) অসমীয়া ভাষাত অষ্ট্ৰিক আৰু দ্ৰাবিড় ভাষাৰ প্ৰভাৱৰ বিষয়ে ফঁহিয়াই আলোচনা কৰা।

★★★